# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সামৰিকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে শব্দ আৰু বাক্যবোৰ পঢ়িব পৰা হ'ব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ লগতে পাঠ্যপুথি বহিৰ্ভূত বিষয় পঢ়ি, বুজি পাঠৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা হ'ব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িক (আগষ্ট/ ছেপ্তেম্বৰ) লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) ভতুৰা আৰু খঁকুৰাৰ খৰিয়াল | - পাঠ নং ৯ |
| খ) তিনিটা মাছৰ কাহিনী | - পাঠ নং ১০ |
| গ) অমলপ্ৰভা দাস | - পাঠ নং ১১ |
| ঘ) আগতে নিজে নিকা হ' | - পাঠ নং ১২ |

**পাতনি ঃ**

'শিক্ষাৰ অধিকাৰ আইন ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাৰতীয় সংবিধানত আদিতে প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ দায়িত্ব পিতৃ-মাতৃৰ ওপৰত ন্যস্ত আছিল। পাছত শিক্ষাৰ অধিকাৰ আইন-২০০৯' য়ে সাংবিধানিকভাৱে শিশুসকলৰ প্ৰাথমিক শিক্ষা ৬ বছৰৰ পৰা ১৪ বছৰলৈ বাধ্যতামূলক ৰূপে প্ৰতিষ্ঠা কৰিলে। এতিয়া প্ৰাথমিক শিক্ষা প্ৰদান কৰা কাম ৰাষ্ট্ৰৰ কৰ্তব্যৰ ভিতৰত পৰে। এই আইনে গুণগত শিক্ষাৰ ওপৰত জোৰ দিয়াই নহয় বৰং সকলোৰে শিক্ষা সুলভ কৰিবলৈ প্ৰয়াস কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নূনতম সা-সুবিধাবিলাকো বিদ্যালয় সমূহত প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ লগে লগে বিদ্যালয়ত বিশেষভাৱে সক্ষম শিশুসকলৰো অন্তৰ্ভুক্তিৰে এক সামগ্ৰিক শিক্ষাৰ বাতাৱৰণ সৃষ্টি কৰিলে । তৎসত্বেও, শিক্ষাৰ লক্ষ্যত উপনীত হ'বলৈ যি সাৰ্বজনীন শিক্ষাৰ কথা কোৱা হৈছে তাত সফল হোৱা নাই, শিশুসকলে পঠন বা লিখনত আশানুৰূপ দক্ষতা অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই। নাছ (National Achivement Survey)আৰু গুণোৎসৱৰ বিভিন্ন তথ্যৰ ফলাফলে এই ঘাটিৰ দিশটো উন্মোচিত কৰিলে। এইটো এটা সাংবিধানিক প্ৰতিবন্ধকতাই নহয়, এক সামাজিক ব্যাধিও। চৰকাৰে এই স্থিতাৱস্থা ত্বৰাণ্বিত কৰিবলৈ বহু প্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছে। মুক্ত শৈক্ষিক সমল (Open Education Resources) এক এনেধৰণৰ সুদূৰপ্ৰসাৰী প্ৰয়াস মাত্ৰ। আমাৰ বিদ্যালয়ৰ শিশুসকলে পাঠসমূহত দক্ষতা অৰ্জন কৰিবলৈ যাওঁতে বিভিন্ন কাৰণত ভাষা দক্ষতা আয়ত্ব কৰিব পৰা নাই। সেইবাবে, শিশুসকলে সহজে ভাষাৰ দক্ষতা আহৰণ কৰিব পৰাকৈ এই সমল প্ৰস্তুত কৰা হৈছে আৰু আশা কৰা হৈছে এই সমলখিনি শিক্ষকৰ বাবে হাতপুথিৰ দৰে সহায়ক হ'ব।

পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ বা পাঠৰ বহিৰ্ভূত তেওঁলোকৰ বয়সৰ স্তৰ অনুযায়ী যিকোনো লেখা যাতে শুদ্ধভাৱে উচ্চাৰণ কৰি পঢ়িব পাৰে তাৰ ওপৰত লক্ষ্য ৰখা হৈছে। পঠন কৌশল আয়ত্তকৰণৰ অৰ্থই হ'ল — পাঠৰ সামগ্ৰিক অৰ্থ বোধগম্য স্তৰলৈ উন্নীত কৰা আৰু সেইবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ যথাযথ উত্তৰ বা সঁহাৰি দিব পৰা দক্ষতা অৰ্জন কৰা। এই সমলখিনিৰ জৰিয়তে উপৰোক্ত কথাবোৰৰ ওপৰত আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফল সমূহৰ গুৰুত্ব অপৰিসীম ঃ**

পাঠ পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনৰ মূল লক্ষ্য। ভাষা শিকনত পঠন কৌশলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

- ⇨ যি কোনো বিষয়ৰ জ্ঞান আহৰণ কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ প্ৰয়োজন।
- ⇨ পঠনে মনৰ পৰিধিৰ বিকাশ ঘটোৱাৰ লগতে কল্পনা শক্তিৰো বিকাশ ঘটায়।
- ⇨ নিজৰ পাঠ্যপুথিৰ উপৰি পাঠ বহির্ভূত বিষয় পঢ়ি দৈনন্দিন জীৱনৰ সমস্যা সমূহ সমাধানৰ চিন্তা-চৰ্চা কৰাত পঠনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ⇨ ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক জড়িতকৰণ (engage) অনুসন্ধান (exlore), বিষয়বস্তুৰ ব্যাখ্যা (explaination), বিষয়বস্তুৰ বিস্তৃত (elaborate) জ্ঞান লাভ আৰু মূল্যায়ন (evalu ation) আদি স্তৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীক সংগতি থকা ক্ৰিয়া-কলাপ আৰু অনুশীলনত প্ৰবৃত্ত কৰাবলৈ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।
- ⇨ পঠনৰ দুৰ্বল দিশসমূহ চিনাক্ত কৰি পুনঃ পুনঃ অভ্যাস আৰু অনুশীলনৰ যোগেদি দুৰ্বলতাসমূহ দূৰীকৰণৰ বাবে চেষ্টা কৰিব পাৰিম।
- ⇨ পঠন দক্ষতা বিকাশত অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।
- ⇨ বিভিন্ন ধৰণৰ পাঠ পঢ়ি পাঠৰ বিষয়বস্তুৰ তথ্য আহৰণ, বিশ্লেষণ আৰু ব্যাখ্যা কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা পঠন বোধৰ সৈতে বাস্তৱ জীৱনৰ সম্বন্ধ স্থাপন কৰাৰ দক্ষতা আহৰণ কৰিব পাৰিছে নে নাই তাৰ মূল্যায়ন কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল—**

<table>
<tr><th colspan="5">মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)</th></tr>
<tr><th>শিকনৰ ফলাফল</th><th>সামগ্ৰী</th><th>শিকন প্ৰক্ৰিয়া</th><th>প্ৰশ্নাৱলী</th><th>মূল্যায়ন</th></tr>
<tr><td>১) ছাত্ৰ-ছাত্ৰীয়ে স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে শব্দ আৰু বাক্যবোৰ পঢ়িব পাৰিব</td><td>⇨ পাঠ্যপুথি</td><td>ক্ৰিয়া-কলাপ</td><td>১। 'তিনিটা মাছৰ কাহিনী' পাঠটো পঢ়ি তাত থকা কঠিন শব্দবোৰ বাছি উলিয়াই টোকা বহীত লিখা।</td><td rowspan="3">অবিৰত আৰু সামগ্ৰিক মূল্যায়ন</td></tr>
<tr><td>২) পাঠত পোৱা নতুন আৰু কঠিন শব্দবোৰৰ অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰিব পাৰিব।</td><td>⇨ শব্দ কাৰ্ড,<br>বাক্য কাৰ্ড</td><td>ক্ৰিয়া-কলাপ</td><td>২। প্ৰতিটো শব্দৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা।<br><br>অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি, যদ্‌ভবিষ্য, খোদালি, বিনাশ, নিঃশেষ</td></tr>
<tr><td>৩) দফা পঢ়ি পাঠৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ দিব পাৰিব।</td><td>⇨ পাঠ্যপুথি,<br>দফাযুক্ত কাৰ্ড</td><td>ক্ৰিয়া-কলাপ</td><td>৩। তলৰ দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ দিয়া— 'স্কুলীয়া শিক্ষা শেষ কৰি অমলপ্ৰভা দাসে ডিব্ৰুগড়ৰ পৰা গুৱাহাটী পাইছিলহি। তেখেতৰ উদ্দেশ্য আছিল কটন কলেজত আই. এছ. চি. পঢ়া। পিছে সেই সময়ত কটন কলেজত ল'ৰাইহে পঢ়িব পাৰিছিল, ছোৱালীয়ে নোৱাৰিছিল।</td></tr>
</table>

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| | | | অমলপ্ৰভা দাসক কটন কলেজত পঢ়িবলৈ দিয়া নহ'ল যদিও তেখেত থমকি নৰ'ল। তেখেত কলিকতা (কলকাতা) পালেগৈ আৰু বেথুন কলেজত নামভৰ্তি কৰিলে। এনেদৰে বহু বাধা -বিঘিনি নেওচি তেখেতে ব্যাৱহাৰিক ৰাসায়ন বিদ্যাত এম. এছ. চি. পাছ কৰিলে। এওঁৱেই এম.এছ.চি. পাছ কৰা প্ৰথম অসমীয়া মহিলা।'<br>⇨ অমলপ্ৰভা দাস কেতিয়া ডিব্ৰুগড়ৰ পৰা গুৱাহাটী পাইছিল ?<br>⇨ তেখেতৰ উদ্দেশ্য কি আছিল ?<br>⇨ তেখেতক কিয় কটন কলেজত পঢ়িবলৈ দিয়া নহ'ল ?<br>⇨ তেখেতে কলিকতাৰ কোন কলেজত নামভৰ্তি কৰিছিল ?<br>⇨ তেখেতে কোন বিষয়ত এম. এছ. চি. পাছ কৰিছিল ? | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

**পঠন কৌশল বিকাশৰ বাবে লোৱা ব্যৱস্থাৱলী ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশৰ বাবে ঘটনা অধ্যয়ন, ক্ৰিয়া-কলাপ আদিৰ ব্যৱস্থা লোৱা হৈছে। তলত সেইবোৰ উল্লেখ কৰা হ'ল —

**ক্ষেত্ৰ অধ্যয়ন (Case Study) ঃ**

কল্পনা বৰা বৰপেটা অঞ্চলৰ এগৰাকী শিক্ষয়িত্ৰী। তেওঁ দেখিলে যে, তেওঁৰ বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলেও যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িবলৈ টান পায়। পঞ্চম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়েও পঠনৰ ক্ষেত্ৰত দেখুওৱা এনে দুৰ্বলতাই তেওঁক বাৰুকৈয়ে চিন্তাত পেলালে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই বাক্যবোৰ পঢ়োতে ৰৈ ৰৈ পঢ়ে। ইয়াৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ পঠন বেগ একেবাৰেই ক'ম।

ছাত্ৰ-ছাত্ৰীৰ এনে সমস্যাৰ সমাধান কৰিবলৈ কল্পনা বৰাই বেলেগ ধৰণে পাঠদানৰ পৰিকল্পনা কৰিলে। কল্পনা বাইদেৱে আগতীয়াকৈ পাঠত থকা কঠিন শব্দবোৰ এখন ডাঙৰ কাগজত লিখি পুৰণি কেলেণ্ডাৰৰ পিছফালে লগাই এখন চাৰ্ট বনাই ল'লে।

শ্ৰেণীকোঠাত সোমাই তেওঁ চাৰ্টখন সকলোৱে দেখাকৈ বেৰত ওলোমাই দিলে। পাঠদান কৰোঁতে কোনো কঠিন শব্দ পোৱাৰ লগে লগে তেওঁ চাৰ্টখনত কঠিন শব্দটো দেখুৱাই দি ছাত্ৰ-ছাত্ৰীসকলক শব্দটো পঢ়িবলৈ দিয়ে। যিসকল ছাত্ৰ-ছাত্ৰীৰ কোনো এটা বিষয় আয়ত্ত কৰোঁতে বেছি সময়ৰ প্ৰয়োজন হয় তেনে শিকাৰুসকলক তেওঁ বাৰে বাৰে শব্দটো পঢ়িবলৈ দিলে। এনেদৰে কল্পনা বৰাই চাৰ্টখনত কঠিন শব্দবোৰ দেখুৱাই দি আদৰ্শ পঠন কৰি দিয়াৰ পাছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আকৌ পঢ়িবলৈ দিলে আৰু উচ্চাৰণ কৰোঁতে কৰা ভুলবোৰ লগে লগে শুধৰাই গ'ল। ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যাওঁতে তেওঁ কঠিন শব্দসমূহ আন ছাত্ৰ-ছাত্ৰীসকলে দেখাকৈ চাৰ্টখনত দেখুৱাই গ'ল। এনেদৰে এজনে পঠন কৰি থকা সময়ত শুনি থকা আন ছাত্ৰ-ছাত্ৰীসকলেও কঠিন শব্দবোৰ শিকিবলৈ সুবিধা পাইছিল।

এনেদৰে কেইবাদিনো কল্পনা বৰাই ছাত্ৰ-ছাত্ৰীসকলক পঠন অভ্যাস কৰোৱাৰ পাছত দেখিলে যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে কঠিন শব্দবোৰ পঢ়িব পাৰিছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰা নাছিল তেওঁলোকক পুনৰ চাৰ্টখন চাই পঢ়াৰ অভ্যাস কৰোৱালে। এইদৰে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ দুৰ্বলতা বহু পৰিমাণে দূৰ কৰিবলৈ সক্ষম হ'ল।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ কল্পনা বৰাই কিদৰে ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ দুৰ্বলতাসমূহ চিনাক্ত কৰিলে?

⇨ কঠিন শব্দবোৰ বাৰে বাৰে পঠনৰ অভ্যাস কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ ঘেঁহাই ঘেঁহাই পঢ়া দুৰ্বলতা দূৰ হ'ব বুলি কল্পনা বৰাই ভাবিছে। আপুনিও তেনেদৰে ভাবেনে?

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ দুৰ্বলতা দূৰ কৰাৰ বাবে আপোনাৰ কিবা নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰাৰ কথা আপোনাৰ মনলৈ আহিছে নে?

**ক্ৰিয়া-কলাপ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ পাঠৰ লগত সম্পৰ্কিত প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰাৰ দক্ষতা বৃদ্ধি কৰিবৰ বাবে আমি এনেধৰণৰ ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰোঁ।

**প্ৰস্তুতি ঃ**

এই ক্ৰিয়া-কলাপটো কৰিবৰ বাবে শিক্ষকে আগতীয়াকৈ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত ৪/৫ খন মান দফা লিখা কাৰ্ড আৰু প্ৰশ্ন লিখা কাৰ্ড তৈয়াৰ কৰি ল'ব লাগিব। শিক্ষকে বেলেগ বেলেগ দফা নিৰ্বাচন কৰি কাৰ্ড প্ৰস্তুত কৰি ল'ব। প্ৰতিটো দফাৰ লগত সম্পৰ্কিত প্ৰশ্নসমূহ লিখি কাৰ্ড প্ৰস্তুত কৰি ল'ব।

শিক্ষকে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক চাৰি-পাঁচজনকৈ দলত বিভক্ত কৰি ল'ব। প্ৰতিটো দলকে একোখনকৈ দফা লিখা কাৰ্ড দিব। প্ৰতিটো দলেই নিজৰ নিজৰ কাৰ্ডত লিখা থকা দফাটো পঠন কৰিব। ইয়াৰ পাছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দফাটোত থকা কঠিন শব্দসমূহ বাছি উলিয়াই লিখিবলৈ ক'ব। ছাত্ৰ-ছাত্ৰীসকলে দলীয়ভাৱে আলোচনা কৰি বুজি নোপোৱা কঠিন শব্দবোৰ লিখিব। শিক্ষকে কঠিন শব্দবোৰৰ অৰ্থসমূহ বোৰ্ডত লিখি দিব। ইয়াৰ পাছত শিক্ষকে প্ৰতিটো দলকে তেওঁলোকৰ ভাগত পৰা দফাটোৰ লগত সম্পৰ্কিত প্ৰশ্নৰ কাৰ্ডখন দিব আৰু দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ কৰিবলৈ দিব।

ছাত্ৰ-ছাত্ৰীসকলে দলীয়ভাৱে আলোচনা কৰি প্ৰশ্নসমূহৰ উত্তৰ লিখিব। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে দফাটো পঢ়ি ভালদৰে বুজি পাব। কঠিন শব্দবোৰৰ অৰ্থসমূহ বুজি পাব। এটা দফাৰ পৰা হ'ব পৰা সাম্ভাব্য প্ৰশ্নসমূহৰ ধাৰণা লাভ কৰিব আৰু দফা পঢ়ি প্ৰশ্নৰ উত্তৰ লিখাৰ কৌশল আয়ত্ত কৰিব।

***বিঃ দ্ৰঃ - শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে কঠিন শব্দবোৰ শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিব, লগতে অৰ্থ বুজি পাব।

⇨ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ বেগ বৃদ্ধি হ'ব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে দফা পঢ়ি তাৰ লগত সম্পৰ্কিত প্ৰশ্নসমূহৰ উত্তৰ লিখিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে এই ধৰণে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন ঃ

⇨ তলৰ দফাটোত যতি চিহ্ন ব্যৱহাৰ কৰি দফাটো ডাঙৰ ডাঙৰকৈ পঢ়া—

ভতুৱাৰ মুখখন দীঘল আৰু জোঙা। খঁকুৱাৰ মুখখন ঘূৰণীয়া আৰু থোপোকা। দুয়োৰে গা মিহি নোমেৰে ঢকা। খঁকুৱাৰ চকু দুটা ঘূৰণীয়া আৰু উজ্জ্বল, কিন্তু ভতুৱাৰ তেনে নহয়। দুয়োৰে দুপাৰিকৈ চোকা দাঁত আছে। খঁকুৱাৰ কাণ দুখন সৰু আৰু থিয়। ভতুৱাৰ কাণ দুখন দীঘল আৰু তললৈ ওলমি পৰা। দুয়োৰে ঠেঙত জোঙা নখ আছে। ভতুৱাৰ নেজডাল কেঁকোৰা আৰু ওপৰফালে উঠি থকা; কিন্তু খকুঁৱাৰ নেজডাল দীঘল। খঁকুৱাৰ মুখত দুকোছা দীঘল গোঁফ আছে। ভতুৱাৰ নাই। দুয়োৰে খাবলৈ বহাৰ ভংগী আৰু খোৱাৰ ধৰণ বেলেগ বেলেগ।

⇨ কুকুৰ আৰু মেকুৰীৰ আকৃতি আৰু স্বভাৱৰ মিল আৰু অমিল দেখুৱাই এখন তালিকা প্ৰস্তুত কৰা।

⇨ 'তিনিটা মাছৰ কাহিনী' পাঠটো পঢ়ি তাত থকা কঠিন শব্দবোৰ বাছি উলিয়াই টোকা বহীত লিখা।

**অনুশীলনী ঃ**

**১।** তলত দিয়া শব্দবোৰ পঢ়া—

| | | | | |
|---|---|---|---|---|
| শ্লেজগাড়ী | নিৰীক্ষণ | উজ্জ্বল | তীক্ষ্ণ | গৃহস্থ |
| নিমন্ত্ৰণ | অস্ত্ৰ | যদ্‌ভৱিষ্য | প্ৰত্যুৎপন্নমতি | |
| বজ্ৰসদৃশ | উচ্চস্বৰে | বৃক্ষ | শীঘ্ৰে | |
| অসুৰক্ষিত | টনকিয়াল | উদ্যোগ | মহীয়সী | |
| মৃত্যুবৰণ | অবিচ্ছেদ্য | পৰিদৰ্শন | | |

২। আগতে নিজে নিকা হ' - কবিতাটো শুদ্ধ উচ্চাৰণেৰে আবৃত্তি কৰা।

৩। শব্দ সম্ভাৰ চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা—

| | | | |
|---|---|---|---|
| প্ৰত্যুৎপন্নমতি, | বিনন্দীয়া, | প্ৰত্যাখ্যান, | থৎ মৎ , |
| পৰিস্থিতি, | একান্ত, | কুণ্ঠাবোধ, | উপাখ্যান |

৪। প্ৰতিটো শব্দৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা।

অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি, যদ্‌ভৱিষ্য, খোদালি, বিনাশ, নিঃশেষ

৫। তলৰ দফাটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ দিয়া—

'স্কুলীয়া শিক্ষা শেষ কৰি অমলপ্ৰভা দাসে ডিব্ৰুগড়ৰ পৰা গুৱাহাটী পাইছিলহি। তেখেতৰ উদ্দেশ্য আছিল কটন কলেজত আই. এছ. চি. পঢ়া। পিছে সেই সময়ত কটন কলেজত ল'ৰাইহে পঢ়িব পাৰিছিল, ছোৱালীয়ে নোৱাৰিছিল। অমলপ্ৰভা দাসক কটন কলেজত পঢ়িবলৈ দিয়া নহ'ল যদিও তেখেত থমকি নৰ'ল। তেখেত কলিকতা (কলকাতা) পালেগৈ আৰু বেথুন কলেজত নামভৰ্তি কৰিলে। এনেদৰে বহু বাধা - বিঘিনি নেওচি তেখেতে ব্যাৱহাৰিক ৰাসায়ন বিদ্যাত এম. এছ. চি. পাছ কৰিলে। এওঁৱেই এম.এছ.চি. পাছ কৰা প্ৰথম অসমীয়া মহিলা।'

⇨ অমলপ্ৰভা দাস কেতিয়া ডিব্ৰুগড়ৰ পৰা গুৱাহাটী পাইছিল?

⇨ তেখেতৰ উদ্দেশ্য কি আছিল?

⇨ তেখেতক কিয় কটন কলেজত পঢ়িবলৈ দিয়া নহ'ল?

⇨ তেখেতে কলিকতাৰ কোন কলেজত নামভৰ্তি কৰিছিল?

⇨ তেখেতে কোন বিষয়ত এম. এছ. চি. পাছ কৰিছিল?

**প্ৰসংগটোকা ঃ**

⇨ অংকুৰণ (পঞ্চম ভাগ)

⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি— মদন শৰ্মা

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***